# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 28-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES
:::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে ভাৰতে স্বাধীনতাৰ পিছৰে পৰাই সন্ত্ৰাসবাদীৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিবলগীয়া হৈছে।

৩। তামিলনাডুৰ কাৰুৰত এটা ৰাজনৈতিক সমদলত পদপিষ্ট হৈ মৃত্যু হোৱা লোকৰ সংখ্যা ৩৬ লৈ বৃদ্ধি পাইছে।

৪। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আজি এদিনীয়া ভ্ৰমণসূচীৰে বিহাৰত উপস্থিত হ'ব।

*আৰু*

৫। এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৬ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কৈছে যে সন্ত্ৰাসবাদৰ অভিকেন্দ্ৰ স্বৰূপ ভাৰতৰ এখন প্ৰতিবেশী দেশ আছে আৰু স্বাধীনতাৰ পিছৰে পৰাই ভাৰতে সন্ত্ৰাসবাদীৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিবলগীয়া হৈছে। বৈদেশিকমন্ত্ৰী গৰাকীয়ে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ৮০ সংখ্যক অধিৱেশনত দিয়া ভাষণত এইকথা উল্লেখ কৰে। ড০ জয়শংকৰে কয়, যে দশক দশক ধৰি সংঘটিত হৈ থকা সন্ত্ৰাসবাদীৰ বৃহৎ আক্ৰমণসমূহ সেইখন দেশৰ পৰাই সংঘটিত হৈ আহিছে। তেওঁ লগতে কয় যে ৰাষ্ট্ৰসংঘৰ নিৰ্দিষ্ট তালিকাত থকা সন্ত্ৰাসবাদীৰ নামসমূহ সেই দেশখনৰ নাগৰিকেৰে ভৰি আছে। ভাষণ প্ৰসংগত তেওঁ চলিত বৰ্ষৰ এপ্ৰিল মাহত পেহেলগামত নিৰীহ পৰ্যটকৰ হত্যাৰ উদাহৰণ দাঙি ধৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে সম্প্ৰতি সন্ত্ৰাসবাদ সমগ্ৰ বিশ্বৰ বাবেই ভাবুকিৰ কাৰক হৈ পৰিছে আৰু সেয়ে এই ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয়

**সহযোগিতা থকাটো অতি প্ৰয়োজনীয় বিষয়। ভাষণত বিশ্ব অৰ্থনিতীৰ প্ৰসংগ উত্থাপন কৰি ড০ জয়শংকৰে কয় যে সমগ্ৰ বিশ্বতে এতিয়া শুল্কৰ অস্থিৰতা আৰু অনিশ্চিত বজাৰ ব্যৱস্থা দেখিবলৈ পোৱা গৈছে। তেওঁ কয় যে এখন আশংকামুক্ত বজাৰ এতিয়া সকলোৰে বাবে কাম্য। ড০ জয়শংকৰে কয় যে ভাৰতে সদায় নিজৰ পছন্দৰ স্বাধীনতা বৰ্তাই ৰাখিব আৰু সদায় গ্ল'বেল চাউথৰ কণ্ঠস্বৰ হৈ থাকিব। তেওঁ কয় যে ভাৰতে নিজৰ জনসাধাৰণক সুৰক্ষা দিয়াৰ লগতে দেশ-বিদেশৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে দৃঢ়প্ৰতিজ্ঞ ।**

০০০০০

তামিলনাডুৰ কাৰুৰত এটা ৰাজনৈতিক সমদলত পদপিষ্ট হৈ মৃত্যু হোৱা লোকৰ সংখ্যা ৩৬ লৈ বৃদ্ধি পাইছে। এই ঘটনাত আহত ৫০ জনতকৈও অধিক লোক ৰাজ্যখনৰ বিভিন্ন হাস্পতালত চিকিৎসাধীন হৈ আছে। কালি সংঘটিত এই ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকতাত্মীয়লৈ তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে ১০ লাখ টকাৰ সাহায্য ঘোষণা কৰিছে। একেদৰে আই চি ইউত চিকিৎসাধীন হৈ থকা আঘাতপ্ৰাপ্ত লোকসকলৰ চিকিৎসাৰ বাবে এক লাখ টকাৰ সাহায্য ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে তামিলনাডু উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অৰুণা জগদীছান নেতৃত্বাধীন এজনীয়া আয়োগৰ অধীনত এই দুৰ্ঘটনাৰ অনুসন্ধানৰ দায়িত্ব প্ৰদান কৰিছে। উল্লেখযোগ্য যে অভিনেতা তথা ৰাজনীতিক বিজয়ৰ তামিলাগা বেট্ৰি কাজহাগামে এই সমদলৰ উদ্যোগ গ্ৰহণ কৰিছিল। অভিনেতা বিজয়ে এই দুৰ্ঘটনাৰ বাবে গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালসমূহলৈ সমবেদনা জ্ঞাপন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই শোকাবহ দুৰ্ঘটনাত নিহত হোৱা লোকসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে শোকসন্তপ্ত পৰিয়ালসমূহলৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহত লোকসকলৰ আশুআৰোগ্য কামনা কৰে।

উপ-ৰাষ্ট্ৰপতিয়ে এটা বাৰ্তাত কয়, যে কাৰুৰত সংঘটিত এই দুৰ্ঘটনা সঁচাকৈয়ে এক প্ৰকাশ কৰিব নোৱাৰা বেদনা। উপ-ৰাষ্ট্ৰপতিগৰাকীয়েও শোকসন্তপ্ত পৰিয়ালসমূহলৈ তেওঁ আন্তৰিক সমবেদনা জ্ঞাপন কৰাৰ লগতে আহত লোকসকলৰ দ্ৰুত আৰোগ্য কামনা কৰি প্ৰাৰ্থনা জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালসমূহৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে এই কঠিন সময়ত ধৈৰ্য্য ধৰিবলৈ তেওঁলোকৰ প্ৰতি আহ্বান জনায়। শ্ৰী মোদীয়ে আহত লোকসকলৰ আশুআৰোদ্য কামনা কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডা, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সি, কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহান আদিয়ে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ দ্ৰুত আৰোগ্য কামনা কৰে।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আজি এদিনীয়া ভ্ৰমণসূচীৰে বিহাৰলৈ যাব। তেওঁ পাটনাত অনুষ্ঠিত উন্মেশা আন্তঃৰাষ্ট্ৰীয় সাহিত্য উৎসৱৰ তৃতীয় সংস্কৰণৰ সামৰণি সত্ৰত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মুজাফৰপুৰৰ কাট্ৰাত থকা চামুণ্ডা দেৱী মন্দিৰো দৰ্শন কৰিব।

০০০০০

পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে ভাৰতৰ সকলো শ্ৰেণীৰ নাগৰিককে উপকৃত কৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে। যোৱা ২২ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰা জি এছ টি সঞ্চয় উৎসৱৰ জৰিয়তে

পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰে ভাৰতত পৰোক্ষ কৰ ব্যৱস্থা সৰল কৰাৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য পদক্ষেপ ৰূপে বিবেচিত হৈছে। এই সংস্কাৰে বিভিন্ন সামগ্ৰী আৰু সেৱাৰ ওপৰত কৰ হ্ৰাস কৰি নাগৰিকলৈ যথেষ্ট সকাহ প্ৰদান কৰিছে।

পৰৱৰ্তী প্ৰজন্মই জি এছ্ টি সংস্কাৰৰ অধীনত চৰকাৰে বিভিন্ন খণ্ডত যথেষ্ট পৰিমাণৰ কৰ হ্ৰাস কৰাৰ কথা ঘোষণা কৰিছে। জি এছ্ টি টু পইণ্ট অ'ৰ অধীনত ঘৰুৱা ইলেকট্ৰনিক সামগ্ৰী যেনে এয়াৰ কণ্ডিচনাৰ, ডিছৱাছাৰ আৰু ডাঙৰ পৰ্দাৰ এল চি ডি আৰু এল ই ডি টেলিভিছনৰ হাৰ ২৮ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে। এই ব্যৱস্থাই সমগ্ৰীসমূহ সৰ্বসাধাৰণ গ্ৰাহকৰ বাবে অধিক সুলভ কৰি তোলাৰ লগতে ভাৰতৰ ইলেক্ট্ৰনিক খণ্ডত নতুন গতি দিব বুলি আশা কৰা হৈছে।

ooooo

ব্ৰীকছ্ ৰাষ্ট্ৰসমূহৰ বিদেশ মন্ত্ৰীসকলে যোৱা ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ তীব্ৰ ভাষাৰে নিন্দা কৰিছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ৮০ সংখ্যক বৈঠকৰ সময়তে নিউয়ৰ্কত ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠিৰ বিদেশ মন্ত্ৰীসকলৰ বাৰ্ষিক বৈঠকৰ আয়োজন কৰা হয়। ২০২৬ চনত ভাৰত ব্ৰীকছ্‌ৰ পৰৱৰ্তী অধ্যক্ষ হোৱাৰ পৰিপ্ৰেক্ষিতত এই বৈঠকতো ভাৰতে অধ্যক্ষতা কৰে। বৈঠকৰ পাছত হোৱা সংবাদমেলত বিদেশ মন্ত্ৰীসকলে যুটীয়াভাৱে দিয়া এখন বিবৃতিত যিকোনো ধৰণৰ সন্ত্ৰাসবাদকে তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। তেওঁলোকে সীমান্তত সন্ত্ৰাসবাদীসকলৰ আহযাহকে ধৰি সন্ত্ৰাসবাদক পৃষ্ঠপোষকতা কৰা আৰু নিৰাপত্তা দিয়া সকলো ধৰণৰ কাৰ্যৰ বিৰুদ্ধে তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। কোনো ধৰ্ম, জাতি, সভ্যতা নাইবা স্থানীয় গোটৰ সৈতে সন্ত্ৰাসবাদ জড়িত হ'ব নালাগে বুলি তেওঁলোকে কয়। এনে কাৰ্য সংঘটিত নাইবা সমৰ্থন কৰা যিকোনো লোককে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ আওতালৈ আনিব লাগে বুলিও বিদেশ মন্ত্ৰীসকলে উল্লেখ কৰে।

ooooo

এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। এয়া হ'ব বিগত ৪১ বছৰত এছিয়া কাপ প্ৰতিযোগিতাৰ ইতিহাসত মুঠ ১৭ টা সংস্কৰণত ফাইনেলত প্ৰথমবাৰলৈ ভাৰত আৰু পাকিস্তানৰ মুখামুখি।

ooooo

**কালি বেংগালুৰুত অনুষ্ঠিত মহিলা বিশ্বকাপৰ দ্বিতীয় তথা অন্তিমখন ৱাৰ্ম আপ মেচত হৰমনপ্ৰীত কৌৰৰ ৬৯ ৰানৰ সহায়ত বাৰতে ডাকৱৰ্থ-লুইছ পদ্ধতিৰে নিউজিলেণ্ডক চাৰি উইকেটত পৰাস্ত কৰে। অহা ৩০ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী মেচত ভাৰতে প্ৰতিযোগিতাখনৰ সহ-আয়োজক শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব।**

**উল্লেখ্য প্ৰথমখন ৱাৰ্ম আপ খেলত ভাৰত ইংলেণ্ডৰ হাতত পৰাস্ত হৈছিল। কিন্তু পৰৱৰ্তী খেলত নিউজীলেণ্ডক পৰাস্ত কৰি ভাৰতে শক্তিশালীভাৱে প্ৰত্যাৱৰ্তন কৰে। নিউজিলেণ্ডে প্ৰথমে বেটিং আৰম্ভ কৰি ৮ উইকেটত ২৩২ ৰান সংগ্ৰহ কৰে। ভাৰতে ৪২ অভাৰত ২৩৭ ৰাণৰ সংশোধিত লক্ষ্য অনুসৰণ কৰি ৪০ অভাৰ দুটা বলত ৬টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।**

ooooo

সমাপ্ত